"তুমি চিন্তা কৰি নাথাকিবা; এই পৰিস্থিতিত যিখিনি সাৱধানতা ল'ব লাগে তুমিতো জানায়; মোৰ দোহাৰিবৰ আৱশ্যক নাই। খোৱা-বোৱা এৰি দুৰ্বল হৈ পৰিলে তোমাৰ নিজৰ কাৰণেও বিপজ্জনক। আৰু তাক কোনে চাব? দুটা দুখন বিছনাত পৰি থাকিলে মা-দেউতাই কি কৰিব? তুমি নিৰাশ নহ'বা, এই অসুখৰ ঔষধ ওলাই যাব। চিকিৎসা বিজ্ঞান বহি থকা নাই। আমি যাওঁ, দেওবাৰলৈ আকৌ আহিম।" বৰপোনা মাক-বাপেকক মাত লগাই গাড়ীত উঠিল।

গাড়ী গেটৰ বাহিৰ হ'লত বৰুৱানী বোৱাৰীয়েকৰ সৈতে ভিতৰ সোমাল।

(২৫)

উৰ্মিলাৰ মাক বাপেকৰ ওপৰত খং, বৰুৱা-বৰুৱানীৰো মনত আক্ষেপ। শহুৰ-শাহুৰে জোঁৱাইৰ নো ডিব্ৰুগড়ত কি পালে কি নাপালে, একো খবৰ লোৱা নাই। আহোঁ বুলি আহিব নোৱাৰে, জানো; কিন্তু টেলিফানত হ'লেও খবৰ এটা ল'ব পাৰে। আজি এসপ্তাহ হ'ল, বৰুৱায়ো এই ফালৰ পৰা টেলিফোন কৰা নাই। বৰুৱাই আগফালৰ বাৰাণ্ডাত বহি নিজকে নিজে কৈ আছে— কি ধৰণৰ মানুহ, জোঁৱায়ে-পোৱে সমান, জোঁৱাইৰ কাৰণে শাহু-শহুৰৰ অন্তৰ বেছিহে পুৰিব লাগে। জীয়েকৰ জীৱনটো জোঁৱায়েকৰ দেহৰ এফাল নহয় জানো? মানুহটোৰ অৱস্থা সিদিনা আহোঁতে দেখি গৈছে। ডিব্ৰুগড়লৈ নিয়াৰ কথাও জানে, তত্ৰাচ আজি এসপ্তাহে খবৰ এটা লোৱা নাই। আমাৰ দেখোন জোঁৱাইৰ অসুখ-বিসুখৰ গম পালেই নুমলীগড় হৈ দৌৰিব লগা হয়। মানুহে কয়, বেৰৰ মাটিয়ে উলিয়াই দিয়া জীয়ৰীয়ে সমান। হওঁতে হয়, বেৰৰ মাটি ঢকা মাৰি দিলা,— মাটিত পৰিল, শেষ। জীয়ৰী ছোৱালীও বিয়া দি উলিয়াই দিলা এঘৰলৈ— তোমাৰ দায়িত্ব শেষ। কথাটো তেনে ধৰণে ধৰিলে, হয়। আমি দেখোন তেনে কৰিব নোৱাৰোঁ।

সৰুপোনাৰ সেইদিনা গধূলিৰ পৰাই গাত টেম্পাৰেচাৰ ১০২°/১০৩° চলি আছে। বৰুৱানীয়ে বোৱাৰীয়েকক বেমাৰীৰ ওচৰত থাকিবলৈ কৈ ক'লে— 'তুমি পাকঘৰত লাগিবগৈ নালাগে। মই বাপুটিক দিহা দি আহিছোঁ, বাপুটিয়ে কৰিব।'

ভাত-পানী হ'লত বৰুৱানী সৰুপোনাৰ কোঠালৈ সোমাই গৈ দেখে উৰ্মিলাই তাৰ পথানত বহি সোঁহাতৰ আঙুলিৰে কপালখন টুকুৰিয়াই আছে তলমূৰ কৰি।

"উৰ্মিলা।"

"মা, মোৰ টোপনি অহা নাই।"

চিন্তাত তাইৰ মগজে কাম কৰা নাই। তাই নিজৰ চিন্তাকে কৰিব নে গিৰীয়েকৰ চিন্তা কৰিব নে গোলাঘাটৰ মাক-বাপেকৰ চিন্তা ক ৰিব? আজি এসপ্তাহ খা-খবৰ নাই যেতিয়া জৰুল কিবা অঘটন ঘটিছে। অকলশৰীয়া মাক। ওচৰত মানুহ আছে যদিও নগৰৰ কথা, বেৰখনৰ ইফাল-সিফাল হ'লেও ইঘৰে সিঘৰৰ খবৰ-খাটি নলয়।

এনেতে শহুৰেকৰ কোঠাত টেলিফোন বাজিল। বৰুৱা বাৰাণ্ডাৰ পৰা উঠি গৈ ৰিচিভাৰটো কাণলৈ নিলে।

"হেল', কোনে কৈছে?"

"মই উৰ্মিলাৰ মাকে কৈছোঁ, গোলাঘাটৰ পৰা।"

"নমস্কাৰ নমস্কাৰ। কি হ'ল, একো খবৰ-খাতি নাই দেখোন আজি এসপ্তাহে? মই আক' ভাবিছোঁ ঘৰত তলা লগাই শিলচৰ পালেগৈ।"

"কিনো ক'ব বুজিছেনে, সেই দিনা শিৱসাগৰৰ পৰ আহি আমাৰ এখেতে সুকলমে আহি পোৱাৰ খবৰটো আপোনালোকলৈ দিবলৈ বুলি ৰিচিভাৰটো দাঙি দেখে টেলিফোন ডেড্, পাছদিনা যাওঁতে মোক এক্সেঞ্জত খবৰ দিবলৈ কৈ যোৱাত মই সেইদিনা খবৰ দিলো। মানুহ আহি চাই-চিতি টেলিফোনটো বেয়া হ'ল বুলি লৈ গ'ল। এসপ্তাহৰ মূৰত আজি বদলি এটা দি গৈছে, তাকো দহ বাৰমান খবৰ লোৱাৰ পাছত। এই কাৰণেই আজি এসপ্তাহে আপোনালোকৰ খবৰ এটা ল'ব পৰা নাই। কেনেকুৱা সৰুপোনাৰ গা? ডিব্ৰুগড়ৰ ডাক্তৰে কি হৈছে বুলি ক'লে?"

"তাৰ অসুখ দেখোন দিনক দিনে বেছি হৈহে আহিছে, কোনো ঔষধে কাম কৰা নাই। এটা কাম কৰক,— তেখেতলৈ খবৰ এটা দিয়ক; অহা দেওবাৰে দুয়ো আহক, তাৰ অসুখৰ বিষয়ে আলোচনা কৰিব লাগে। বাহিৰলৈ নি চিকিৎসা কৰোৱাৰ চিন্তা কৰিছোঁ। আপুনি এতিয়া জীয়েকৰ লগত কথা পাতক।" বৰুৱাই ওচৰত ৰৈ থকা উৰ্মিলাৰ হাতত ৰিচিভাৰটো দিলে।

"কি হ'ল অ' মা তহঁতৰ? খবৰ-খাতি এটাও নোলোৱা হলি, দেখিয়েই গৈছ সিদিনা অৱস্থা। আজি এসপ্তাহ হ'ল। আহিব নোৱাৰ জানো; টেলিফোনত খবৰ এটাও ল'ব নোৱাৰ নে?"

"শুন মাজনী, মই মানুহ এজনী, কৰিম কি? আজি এসপ্তাহ ঘৰত টেলিফোনেই নাই। সেইদিনা তহঁতৰ তাৰ পৰা আহি তহঁতলৈকে ফোন কৰিবলৈ ৰিচিভাৰ দাঙি দেখোঁ টেলিফোন বেয়া। পাছদিনা এক্সেঞ্জত খবৰ দিয়াত মানুহ আহি টেলিফোনটো বেয়া হ'ল বুলি লৈ গ'ল ভাল কৰিবলৈ। দুই-তিনি দিন নিজে গৈ খবৰ কৰাত আজি বদলি এটা দি গৈছে।"

"দেউতা যদি শনিবাৰলৈ আহে, দেওবাৰে তহঁত আহি যাবি। এওঁৰ গা সমুলি ভাল নহয়, ক্ৰমান্বয়ে দুৰ্বল হৈ...।"

টেলিফোন কাট খাই গ'ল। উৰ্মিলাই ৰিচিভাৰটো ৰাখি আকৌ গোলাঘাটলৈ ডায়েল কৰিলে যদিও লাইন নাপাই তাইৰ কোঠালৈ আহি সৰুপোনাৰ বিছনাৰ ওচৰত ৰৈ থকা শাহুৰেকক ক'লে— "কথাই পাতিব নোৱাৰিলো ভালকৈ মা, কাট খাই গ'ল টেলিফোন। আপুনি বাপুটিক ভাত দিবলৈ কওক গৈ।"